**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

---

**নংঃ ৫৭৭/২০১৯**

# ১০ ডিচেম্বৰত আধাৰশিলা স্থাপন কৰা হ'ব প্ৰস্তাৱিত শ্বহীদ স্মাৰক ক্ষেত্ৰ আৰু শ্বহীদ উদ্যানৰ

**দিছপুৰ, ৬ ডিচেম্বৰ ঃ** আজি অসম বিধান সভাৰ মুখ্যমন্ত্ৰীৰ সভা কক্ষত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ পৌৰোহিত্যত গুৱাহাটী মহানগৰীৰ পশ্চিম বৰাগাঁৱত নিৰ্মাণ হ'বলগীয়া শ্বহীদ স্মাৰক ক্ষেত্ৰ আৰু শ্বহীদ উদ্যানৰ সম্পৰ্কত এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত অহা ১০ ডিচেম্বৰত অৰ্থাৎ শ্বহীদ দিৱসৰ দিনাখন অসমৰ ভাষা-সংস্কৃতি আৰু অস্তিত্ব ৰক্ষাৰ হকে প্ৰাণাহুতি দিয়া শ্বহীদ সকলৰ স্মৃতিত নিৰ্মাণ হ'বলগীয়া শ্বহীদ স্মাৰক ক্ষেত্ৰ আৰু শ্বহীদ উদ্যানৰ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰাৰ দিশত যাৱতীয় পদক্ষেপ গ্ৰহণ কৰাৰ বাবে মুখ্যমন্ত্ৰী সোণোৱালে নিৰ্দেশ দিয়ে। বৈঠকত মুখ্যমন্ত্ৰী সোণোৱালে এই শ্বহীদ স্মাৰক ক্ষেত্ৰ আৰু শ্বহীদ উদ্যানখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ এখন আকৰ্ষণীয় ক্ষেত্ৰ হিচাপে গঢ়ি তোলাৰ দিশত পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়ে যাতে বাহিৰৰ পৰা ৰাজ্যখনলৈ অহা পৰ্যটক সকলে এই স্মাৰক ক্ষেত্ৰ আৰু শ্বহীদ উদ্যান পৰিদৰ্শন কৰি শ্বহীদ সকলৰ ত্যাগৰ বিষয়ে ভালদৰে জ্ঞান আহৰণ কৰিব পাৰে। মুখ্যমন্ত্ৰীয়ে এই শ্বহীদ উদ্যানখন নিৰ্মাণত পাৰিপাৰ্শ্বিক অনুকূল বাতাবৰণ অক্ষুণ্ণ ৰখাৰ দিশটো যাৱতীয় ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়ে। তদুপৰি শ্বহীদ উদ্যানলৈ যোৱা পথটো ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা যাতে পোনে-পোনে কৰা হয় তাৰ বাবেও উপযুক্ত পৰিকল্পনা তথা প্ৰাককলন ইত্যাদি প্ৰস্তুত কৰাৰ দিশত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে গড়কাপ্তানি বিভাগক নিৰ্দেশ দিয়ে।

আজিৰ এই বৈঠকত জলসম্পদ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, পশ্চিম গুৱাহাটী বিধান সভা সমষ্টিৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ন কলিতা, অসম চুক্তি ৰূপায়ণ বিভাগৰ আয়ুক্ত সচিব আশুতোষ অগ্নিহোত্ৰী, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ আয়ুক্ত সচিব প্ৰীতম শইকীয়াকে ধৰি জ্যেষ্ঠ বিষয়া সকল উপস্থিত থাকে।

**বঃভাঃ / পুঃডেঃ**
**৬/১২/২০১৯**